# ECHO OF HIS CALL

ASSAMESE

তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি

India's National Spiritual Newspaper

₹ 10/-

Published monthly in ENGLISH, TAMIL, MALAYALAM, TELUGU, HINDI, KANNADA, MARATHI, BENGALI, GUJARATI, ODIYA, ASSAMESE, PUNJABI, NEPALI, URDU, SINHALA & AFRIKAN

Editor : S. SAM SELVA RAJ | 16 Languages | Associate Editor : Sis. BORNALI THAPA RAJ

Vol. XXIII | NOVEMBER 2022 | No. 5


## পবিত্ৰ বাইবেল

এই অংশটি অনুগ্ৰহ কৰি মুখস্থ কৰক

প্ৰভূৰ প্ৰশংসা হওঁক !

গীতমালা ৭৭ ঃ ১-১১

১। মই উচ্চ স্বৰেৰে ঈশ্বৰৰ আগত কাতৰোক্তি কৰিম; মই ঈশ্বৰৰ ওচৰত উচ্চ স্বৰেৰে কাতৰোক্তি কৰিম মোৰ ঈশ্বৰে মোৰ কথা শুনিব।

২। সঙ্কটৰ সময়ত মই যিহোৱাক বিচাৰিলো; গোটেই ৰাতি মোৰ হাত দুখন ঈশ্বৰৰ ফালে আগবঢ়াই মই প্ৰাৰ্থনা কৰিলোঁ; মই ক্লান্ত হৈ নপৰো। মোৰ প্ৰাণে শান্ত্বনা পোৱা নাছিল।

৩। মই যেতিয়া ঈশ্বৰক চিন্তা কৰোঁ, তেতিয়া ক্ৰন্দন কৰোঁ; মই মনতে চিন্তা কৰোঁ আৰু মোৰ প্ৰাণ নিৰাশ হৈ পৰে। (চেলা)

৪। তুমিয়েই টোপনি যোৱাৰ পৰা মোৰ চকুৰ পিৰিকতিক মেলি ৰাখিলা; মই অতিশয় যাতনাত আছিলোঁ আৰু সেয়ে কথাও ক'ব পৰা নাছিলো।

৫। মই অতীতৰ কথাবোৰ চিন্তা কৰিছিলোঁ; অনেক অনেক বছৰৰ আগৰ কথা মই চিন্তা কৰিছিলোঁ।

৬। ৰাতিৰ সময়ত মই গোৱা গীতবোৰৰ বিষয়ে মোৰ মনত পৰে; ৰাতি মই মোৰ হৃদয়ত গভীৰ ভাৱে চিন্তা কৰিছিলোঁ; মই মনতে চিন্তা কৰোঁ আৰু মোৰ প্ৰাণে যি ঘটিল তাক বুজিবলৈ চেষ্টা কৰে।

৭। "যিহোৱাই মোক চিৰকালৰ বাবে ত্যাগ কৰিব নেকি? তেওঁ মোক পুনৰ কেতিয়াও দয়া নকৰিব নেকি?

৮। তেওঁৰ গভীৰ প্ৰেম চিৰদিনৰ কাৰণে শেষ হৈ গ'ল নেকি? তেওঁৰ প্ৰতিজ্ঞাবোৰো চিৰদিনৰ বাবে বিফল হৈ গ'ল নেকি?

৯। ঈশ্বৰে কৃপা কৰিবলৈ পাহৰি গ'ল নেকি? তেওঁ খঙতে নিজৰ মমতাকো বন্ধ কৰি দিলে নেকি? (চেলা)

১০। মই ক'লো, "মোৰ এইটোৱে দুখ যে সৰ্বোপৰি জনাৰ সোঁ হাত সলনি হৈছে।"

১১। যিহোৱাই কৰা সকলো কাৰ্যৰ কথা মই সোঁৱৰিম; পূৰ্ব কালত তুমি কৰা আচৰিত কৰ্মবোৰ মই সোঁৱৰণ কৰিম।

# ঈশ্বৰে আপোনাকো আশীৰ্বাদ কৰিব !

## THE LORD WILL BLESS YOU ALSO!

**"কিয়নো তোমাৰ পিতৃ ঈশ্বৰ, তেৰোঁ তোমাক সহায় কৰিব, কিয়নো সৰ্বশক্তিমান ঈশ্বৰ জনাই আশীৰ্বাদ কৰিব, তেওঁ ওপৰত থকা আকাশৰ আশীৰ্বাদৰ সৈতে তলত থকা অগাধ জল, স্তন আৰু গৰ্ভৰ আশীৰ্বাদেৰে, তোমাক আশীৰ্বাদ কৰিব।**

**-আদি পুস্তক ৪৯ঃ২৫**



*তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ পৰিচৰ্য্যাসমূহৰ ৫৪ তম বাৰ্ষিকী পালন কৰাৰ সময়ত পালক এচ, আব্ৰাহামে দিয়া প্ৰভুৰ বাৰ্তা*

আদি পুস্তক ৪৯ অধ্যায়ত, আমাৰ পূৰ্বপিতৃ যাকোবে, তেওঁৰ মৃত্যুৰ পূৰ্বে তেওঁৰ ১২ জন পুত্ৰক দিয়া আশীৰ্বাদবোৰক ঈশ্বৰে ইয়াত প্ৰকাশ কৰিছে।

যোচেফ নামৰ অৰ্থ হৈছে গুণ। যি পদটি ওপৰত (আদিপুস্তক ৪৯ঃ২৫) উল্লেখ কৰা হৈছে, তাত যোচেফলৈ আশীৰ্বাদ দিয়া হৈছে। এই আশীৰ্বাদটোত, আমি চাৰিধৰণৰ আশীৰ্বাদসমূহ চাওঁ ঃ

১। স্বৰ্গৰ পৰা অহা আশীৰ্বাদ,

২। গভীৰ তলৰ পৰা অহা আশীৰ্বাদসমূহ,

৩। মাতৃৰ সৈতে সম্পৰ্ক থকা আশীৰ্বাদ যিগৰাকীয়ে তেওঁৰ সন্তানসকলক আহাৰ যোগায়,

৪। এগৰাকী মাতৃৰ গৰ্ভৰ সৈতে সম্পৰ্ক থকা আশীৰ্বাদ যি গৰ্ভ অনেক বংশক উৎপন্ন কৰে, যদিও মাতৃয়ে জন্ম দিয়াৰ সময়ত বিষম কষ্টৰ সন্মুখীন হয়।

### ১। স্বৰ্গীয় আশীৰ্বাদ !

যি আশীৰ্বাদ স্বৰ্গৰ পৰা আহে, ই মহান হয়। ঈশ্বৰৰ প্ৰত্যেক সন্তানে এই আশীৰ্বাদক গ্ৰহণ কৰিব লাগে। যেতিয়া পূৰ্ব পিতৃ ইচহাকে তেওঁৰ সন্তানক আশীৰ্বাদ দিছিল, প্ৰথমে তেওঁ স্বৰ্গীয় আশীৰ্বাদ দিছিল **"ঈশ্বৰে যেন তোমাক আকাশৰ নিয়ৰৰ এক অংশ দিয়ে, পৃথিৱীৰ উৰ্বৰতাৰ এক অংশ দিয়ে আৰু প্ৰচুৰ শস্য আৰু নতুন দ্ৰাক্ষাৰস দিয়ে,"** আদিপুস্তক ২৭ঃ২৮। এই আশীৰ্বাদৰ মতে ইচাহাকৰ দ্বাৰাই উল্লেখ কৰা সকলো বস্তুক ঈশ্বৰে যাকোবক দিছিল। যেতিয়া আমি আদিপুস্তক ১ঃ১ পদ পঢ়ো তাত আমি পাওঁ যে, **আদিতে ঈশ্বৰে আকাশ মণ্ডল আৰু পৃথিৱী সৃষ্টি কৰিলে**। গতিকে

৩ পৃষ্ঠাত চাওঁক

# তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি (১৯৬৯ - ২০১৯ - সোণালী জয়ন্তী বৰ্ষ)



## আপোনালোকৰ প্ৰিয় ভাইজনৰ পৰা ...



### আমাৰ মিশ্বন নীতি

আমি এই সমকালীন বংশলৈ পৌৰাণিক আৰু প্ৰথম শতিকাৰ পাঁচনিসকলৰ স্পষ্ট শিক্ষাবোৰক বিস্তাৰ কৰা আৰু শিক্ষা দিয়া উচিত। এইটোৱেই আজিৰ প্ৰয়োজন।


**CHIEF EDITOR**
Angeline Selvakumari Henry, M.A., M.Ed.

**MANAGING EDITOR**
Pastor Alex Samson Sam, B.Th., M.Div.

**ADMINISTRATION**
Bro. N. Prakasam, M.A., General Manager

**EDITORIAL BOARD**
Sis. Jesy Veena Sam
Sis. Serena Bevin, M.A., M.Phil., B.Ed.
Rev. Dr. K.R. Rajasekaran
Dr. A. Richard Samuel, M.A., Ph.D.



**EDITOR, PUBLISHER & PRINTER**
Pastor S. SAM SELVA RAJ
Echo of His Call Printers
10, Mohammed Abdullah 2nd Street,
Chepauk, Chennai- 600 005, India.
Phone : (+ 91- 44) 2852 8282, 2852 9293, 2854 7766
Cell : (+91) 98410 71852, 95661 31858



**CORE LEADERS**
Bro. K. Puratchivendan
Bro. A. Edward Durai
Bro. A. Alvin
Bro. K. Abraham
Sis. Dhanalakshmi Chinnaiah



**E.mail ID**
sam@echoofhiscall.org
biblecor@yahoo.co.in

**WEBSITES**
www.echoofhiscall.org
www.stpaulsmatriculation.com

**YOUTUBE CHANNEL**
Echo of His Call


"যিহোৱাই তোমালৈ দৃষ্টি কৰক আৰু তোমাক শান্তি দান কৰক"
(গনণাপুস্তক ৬ঃ২৬)

যীচুখ্ৰীষ্টত মোৰ প্ৰিয় বন্ধুসকল,

আমাৰ প্ৰভু ত্ৰাণকৰ্তা যীচুখ্ৰীষ্টৰ আচৰিত নামত আমি আপোনালোকক আন্তৰিকতাৰে শুভেচ্ছা জনাইছো।

ঈশ্বৰৰ অসীম দয়াৰ দ্বাৰাই ২০২২ বৰ্ষটিৰ অন্ত নিচেই ওচৰ পাইছেহি। পৃথিৱীৰ লোকসমূহে যীচুখ্ৰীষ্টৰ জন্ম আৰু ২০২৩ ৰ নৱবৰ্ষৰ আন উৎসৱ পালন কৰিবলৈ নিজকে যুগুত কৰি আছে। আমি আত্মিক লোক হোৱা হেতুকে, এই দিন কেইটাক আমি আত্মিকভাৱে আৰু গভীৰভাৱে ব্যৱহাৰ কৰিব লাগে। উষ্ণ প্ৰাৰ্থনাত আৰু ঈশ্বৰৰ প্ৰকৃত পৰিচৰ্য্যাত আমি লিপ্ত হ'ব লাগিব।

প্ৰাৰ্থনা আৰু পৰিচৰ্য্যা এটা পইচাৰ দুটা ভাগ থকাৰ দৰে হয়। আমি দেখো যে বহুত মানুহে প্ৰভুৰ পৰিচৰ্য্যাত ব্যস্ত থাকে কিন্তু তেওঁলোকৰ প্ৰাৰ্থনাৰ সময়ক অৱহেলা কৰে। এইদৰে কৰিলে আত্মিক অৱনতি হ'ব আৰু খহি পৰিব।

আজি পুৱা ভাগতে ঈশ্বৰে মোক এটা সংক্ষিপ্ত ধাৰণা দিছিল আৰু তাকে হাতেৰে লিখিলো, ইয়াকে মই তলত আপোনালোকৰ সৈতে উল্লেখ কৰিব বিচাৰো।

মানুহৰ লগত সহভাগিতা ৰাখিলে কেতিয়াবা তিতা আৱেগ আমি পাওঁ। আমি সম্পূৰ্ণ নিখুঁত নহওঁ কিন্তু আমি নিখুঁত হ'বলৈ প্ৰতিদিনে পৰিৱৰ্তন হৈ থাকো। যদি আমি পবিত্ৰ আত্মালৈ নিজকে সমৰ্পন কৰো, তেতিয়া আমাক শুদ্ধ আৰু পৰিৱৰ্তন কৰিবলৈ ঈশ্বৰে তেওঁৰ দাস সকলক ব্যৱহাৰ কৰে। কিন্তু যি মানুহবিলাকে সদায় প্ৰাৰ্থনা কৰে, তেওঁবিলাকে ধ্বংস আৰু সন্দেহক স্থান নিদিয়ে।

প্ৰাৰ্থনাৰ অনুপস্থিতিৰ বাবে বিবাদ আৰু কাজিয়াৰ উপস্থিতি হয়। এজন প্ৰাৰ্থনাবিহীন ব্যক্তিয়ে দুটাৰ এটা বিষয়ক সৃষ্টি কৰে, যেনে শত্ৰুতা বা বিশ্বাসৰ পৰা খহি পৰা। সহভাগিতাত প্ৰত্যাহবান আৰু সমস্যাৰ ষড়যন্ত্ৰ হ'ব বুলি পৌলে স্পষ্টকৈ জানিছিল, তেওঁ মণ্ডলীৰ বাবে এটা নিয়ম বনালে যে মানুহে নিৰন্তৰে প্ৰাৰ্থনা কৰিব লাগে। এই বিষয়টিক নিয়ন্ত্ৰন কৰিবলৈ তীমথিয়ক দায়িত্ব দিয়া হৈছিল। প্ৰথম শতিকাৰ পাচীবিলাকে প্ৰাৰ্থনাত অধিক সময় নিদিয়াকৈ মণ্ডলীক পৰিচালনা কৰিছিল, তেতিয়া তেওঁবিলাকে সমস্যা, অসন্তুষ্টি আৰু বিবাদ-কাজিয়াৰ সৃষ্টি হোৱা দেখিলে। তেওঁবিলাকে লগে লগে ইয়াৰ কাৰণ বিচাৰি উলিয়ালে - প্ৰাৰ্থনাৰ অনুপস্থিতি। যেতিয়া তেওঁবিলাকে প্ৰাৰ্থনাৰ বাবে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিলে, পুনৰ সহভাগিতাৰ মধুৰতা চলি গ'ল (পাঁচনিকৰ্ম ৬ঃ৪)।



*Key Leaders of our ministry in Chennai*


**Our Ministries:** ECHO OF HIS CALL Monthly Magazines (16 languages) · BIBLECOR - Postal Courses (3 languages) · Online Courses · Theological Correspondence Courses (2 languages) · Church Planting · Nehemiah Bible Colleges · Gospel Printing Press · Great Commission Partners · St. Paul's Matriculation School · Crusades · Community Development

যেতিয়া প্ৰাৰ্থনা নাথাকে, পবিত্ৰতা নাথাকে। পাপৰ পৰা সকলো ধৰণৰ বস্তু যেনে-চকুৰ অভিলাষ, মাংসৰ অভিলাষ আৰু জীৱনৰ অহংকাৰ আহে আৰু ব্যক্তিগত পৰিত্ৰাণৰ প্ৰতি আৰু খ্ৰীষ্টৰ শৰীৰলৈ ডাঙৰ ধ্বংস আহে। তাত কোনো শান্তি নাই। অভিযোগ, কাজিয়া, দোষ বিচৰা, নিন্দা আৰু গৰিহণাৰ বৃদ্ধি হয়। প্ৰাৰ্থনাহীনতাৰ তিতা ফলবোৰ আহে। সন্দেহ, বেদনাদায়ক অন্ত আনে। এই সকলো ঘটে যেতিয়া মানুহে প্ৰাৰ্থনা কৰাত বিফল হয়। প্ৰাৰ্থনাহীনতাৰ বাবে সহভাগিতা ভাঙি যায়। প্ৰাৰ্থনা হৈছে জীৱন ৰক্ত, যিয়ে আত্মাৰ ফল উৎপন্ন কৰে।

আমাৰ মুখ্য চলাওতাসকলৰ বাবে বিশেষ কাৰ্য্যসূচী

যোৱা মাহৰ ১২ চেপ্তেম্বৰ ২০২২ তাৰিখে আবেলি ৫ বজাৰ পৰা চেন্নাইত আমাৰ পৰিচৰ্য্যাৰ মুখ্য চলাওঁতাসকলৰ সহভাগিতা আৰু প্ৰাৰ্থনাৰ বাবে এটি কাৰ্যসূচীৰ আয়োজন কৰিছিলো। ঈশ্বৰে ইয়াত আশীৰ্বাদ কৰিলে। হে ভাইসকল, আমাৰ বাবে প্ৰাৰ্থনা কৰা। (১থিচলনীকীয়া)

ঈশ্বৰে আপোনালোকক আশীৰ্বাদ কৰক।

**খ্ৰীষ্ট যীচুত আপোনালোকৰ সেৱক,**

**পালক, এচ, চাম ছেলভা ৰাজ আৰু এলেক্স চেমচন চাম।**


(+91) 98412 71858 / 98410 71858,
E.mail : samselvaraj333@gmail.com

*....Contd. from page 1*

বাইবেলে স্পষ্ট কৰি দিছে যে প্ৰথমে 'স্বৰ্গ' সৃষ্টি কৰা হৈছিল। ঈশ্বৰে 'স্বৰ্গ'ক অতি গুৰুত্ব দিছিল। যেতিয়া আব্ৰাহামে ঈশ্বৰৰ প্ৰতিশ্ৰুতিত সন্দেহ কৰিছিল, তেতিয়া ঈশ্বৰে তেওঁক বাহিৰলৈ নি তেওঁক মূৰ দাঙি স্বৰ্গলৈ চাবলৈ কৈছিল।



**তেতিয়া যিহোৱাই অব্ৰাহামক বাহিৰলৈ নি ক'লে, "তুমি আকাশৰ ফালে চোৱা আৰু যদি পাৰা তৰাবোৰ গণনা কৰা।" তেওঁ আকৌ অব্ৰাহাম ক'লে, "এইদৰে তোমাৰ বংশও হ'ব"** আদিপুস্তক ১৫ঃ৫। যেতিয়া আমি এই জগতৰ জীৱনত ভাগৰি যাওঁ , তেতিয়া আমাৰ দুখ-কষ্ট আনন্দত পৰিণত হয়, কিয়নো ঈশ্বৰে আমাৰ স্বৰ্গীয় আশীৰ্বাদবোৰ দেখুৱাইছে। এটি সৰু ল'ৰাই যেতিয়া যীচু খ্ৰীষ্টৰ ওচৰলৈ আহিছিল, তেওঁৰ হাতত পাঁচটা পিঠা



আৰু দুটি মাছ আছিল। যেতিয়া সেই আহাৰ প্ৰভু যীচুখ্ৰীষ্টৰ হাতত আহিল, তেতিয়া সেই আহাৰে ৫০০০ হেজাৰতকৈ অধিক ভোকাতুৰ লোকৰ পেট ভৰালে। সেই সৰু ল'ৰাটিৰ আহাৰে ইমান ভোকাতুৰ মানুহক কিদৰে খুৱালে? এই আচৰিত ঘটনা কিদৰে হ'বলৈ পালে? যীচুখ্ৰীষ্টই আহাৰখিনিক স্বৰ্গৰ ফালে তুলিলে আহাৰৰ ওপৰত আশীৰ্বাদ বিচৰা নাছিল নে?

পৰিচৰ্য্যাৰ সময়ত স্বৰ্গৰ ফালে চোৱাটো যীচু খ্ৰীষ্টৰ এটা অভ্যাস আছিল। স্বৰ্গৰ আশীৰ্বাদবোৰে স্বৰ্গীয় বাসস্থানৰ পৰা শক্তি নমাই আনিব, য'ত ঈশ্বৰ বাস কৰে। স্বৰ্গীয় আশীৰ্বাদৰ মহিমাৰ বাবে, যি আহাৰ কেৱল সেই সৰু ল'ৰাজনৰ বাবেহে যথেষ্ট আছিল, সেইটোৱেই ইমান শক্তিশালী হ'ল যে হাজাৰ হাজাৰ লোকৰ ভোক গুচাই দিলে।

আহক আমি আৰু এটা উদাহৰণক লওঁ যিয়ে স্বৰ্গৰ মহিমাক প্ৰমাণ কৰিছে। এবাৰ কিছুমান মানুহে এজন কলা আৰু বোবা মানুহক যীচুৰ ওচৰলৈ আনিছিল। মাৰ্ক ৭ঃ ৩৩,৩৪ পদত আমি পাওঁ, **"তেতিয়া তেওঁ সেই মানুহজনক ভিৰৰ মাজৰ পৰা আতৰাই নিলে আৰু মানুহজনৰ কাণ দুখনত আঙুলি, থুইৰে জিভা চুই স্বৰ্গলৈ চাই হুমুনিয়াহ কাঢ়ি ক'লে, "ইফাথা" অৰ্থাৎ "মুকলি হওক।"** যেতিয়া লাজাৰে ৰোগত পৰিছিল, তেওঁলোকে যীচুখ্ৰীষ্টক সুস্থ কৰিবলৈ মাতিছিল। কিন্তু যীচুখ্ৰীষ্টই লাজাৰক চাবলৈ নাহিল আনকি তেওঁৰ মৃত্যুৰ সময়তো নাহিল। লাজাৰৰ মৃত্যুৰ চাৰি দিনৰ পাছতহে আহিল। যদিও লাজাৰ যীচু খ্ৰীষ্টৰ প্ৰিয় বন্ধু আছিল তেওঁ লাজাৰৰ মৈদামলৈ আহিল আৰু তেতিয়ালৈকে তেওঁ শৰীৰ গেলিবলৈ ধৰিছিল (যোহন ১১ঃ৩৯)। যোহন পুস্তকত বাইবেলে এইদৰে কয়, ১১ঃ৪১,৪২... যীচুৱে ওপৰলৈ চকু তুলি ক'লে, **"হে পিতৃ, তুমি মোৰ কথা শুনাৰ কাৰণে মই তোমাক ধন্যবাদ দিওঁ। মই জানো তুমি সকলো সময়তে মোৰ কথা শুনি থাকা।"** এইদৰে স্বৰ্গৰ পৰা আশীৰ্বাদ আৰু শক্তি গ্ৰহণ কৰাৰ পাছত, **তেওঁ ডাঙৰ মাতেৰে ক'লে, "লাজাৰ বাহিৰলৈ ওলাই আহা!"** যোহন ১১ঃ৪৩। লাজাৰৰ মৃত্যুৰ চাৰি দিনৰ পাছত তেওঁৰ শৰীৰ গেলি গৈছিল, কিন্তু এতিয়া তেওঁ জীৱিত হৈ ওলাই আছিল। সমস্যা এটা যিমান ডাঙৰ হ'ব পাৰে কিন্তু যীচুখ্ৰীষ্টৰ বাবে কঠিন নহয়। কিয়নো তেওঁ সৰ্বশক্তিমান আৰু সৰ্বোপৰি যি স্বৰ্গীয় আশীৰ্বাদে আমাৰ প্ৰভু ঈশ্বৰৰ শক্তিত নমাই আনিব পাৰে, যিকোনো সমস্যাতকৈ ডাঙৰ হ'ব পাৰে। তাৰোপৰি, ইয়ে প্ৰকৃততে বিশ্বাসীসকলৰ বাবে ঈশ্বৰৰ ৰাজ্যক দিয়ে। **যেতিয়া ইস্ৰায়েলৰ লোকবিলাকে ৰফীদীমত খোৱা পানীৰ বাবে বিবাদ কৰিছিল, তেতিয়া মোচিয়ে ওপৰলৈ চাই ঈশ্বৰলৈ কাতৰোক্তি** কৰিছিল (যাত্ৰাপুস্তক ১৭ঃ১-৪)। সেই শুকান ভূমিত সেই আশীৰ্বাদ আচৰিত ভাৱে নামি আহিছিল আৰু প্ৰচুৰ পৰিমাণৰ **পানী শিলৰ মাজৰ পৰা ওলাই আহিল** (যাত্ৰাপুস্তক ১৭ঃ৫-৬)।

যেতিয়া যাকোবে বেৰ-চেবাৰ পৰা ওলাই হাৰণৰ ফালে যাত্ৰা কৰিছিল, তেওঁ এখন ঠাইত গৃহহীন যাযাবৰৰ দৰে ৰাতিটো কটাইছিল। তাত কোনো বিচনা বালিচ নাছিল। তেওঁ তাত ভৱিষ্যতৰ বিষয়ে একো নজনাকৈয়ে শুই থাকিল। তেওঁ জীৱনৰ জ্ঞানত এজন শিক্ষানিৱেশ আছিল আৰু এটা ডাঙৰ মানসিক চাপৰ মাজত আছিল। তাত তেওঁ এটা সপোন দেখিছিলঃ...**যে পৃথিৱীৰ ওপৰত এডাল জখলা থিয় হৈ আছেআৰু তাৰ মূৰটো গৈ স্বৰ্গত লাগি আছে। তেওঁ দেখিলে যে তাৰ ওপৰেদি ঈশ্বৰদূতবোৰে উঠা নমা কৰি আছিল। আৰু যিহোৱাই খটখটিৰ ওপৰত থিয় হৈ আছিল...**আদিপুস্তক ২৮ঃ১২,১৩।

ঈশ্বৰৰ এজন দাসে মানুহে দিয়া দান-বৰঙণীৰে ৫০০০ আসন ক্ষমতা থকা এখন গীৰ্জাঘৰ নিৰ্মাণ কৰিছিল। কিছু মাহৰ মাজতে তেওঁ

অতি দুখ-কষ্টৰে নিৰ্মাণ কৰা গীৰ্জাঘৰখন এটা ডাঙৰ ধুমুহা অহাত ধ্বংস হৈ গৈছিল। তেওঁৰ এনে বিষম বেজাৰ সময়তো যেতিয়া ঈশ্বৰৰ প্ৰশংসা কৰিছিল, মানুহে তেওঁক চাই হাঁহিছিল। এনে দুখৰ সময়ত, বহুত মানুহে তেওঁক সুধিছিল, "আপুনি আমাৰ গীৰ্জাত শুভবাৰ্তা দিবলৈ আহিবনে?" তেৰোঁ ভাবিলে এইদৰে কৰিলে তেওঁ শান্তনা পাব। আৰু তেওঁ তেওঁলোকৰ নিমন্ত্ৰণ গ্ৰহণ কৰিলে। কেইবা মাহ মান ধৰি তেওঁ তাত শুভবাৰ্তা প্ৰচাৰ কৰিলে। তেওঁ প্ৰচাৰ কৰা ঠাইত মানুহবিলাকে ঈশ্বৰৰ মহিমাৰ অভিজ্ঞতা পালে আৰু তেওঁলোকৰ বহুতে সেই উপাসনাত যোগদান কৰিবলৈ আৰম্ভ কৰিলে। মানুহবিলাকে নতুন জীৱন পালে। যেতিয়া তেওঁ তাত এটা সমাগমলৈ প্ৰচাৰ কৰিছিল তাত দুই লাখ মানুহ জমা হৈছিল, তেওঁ স্পষ্ট ঈশ্বৰৰ মধুৰ স্বৰ শুনিছিল। যেতিয়া তেওঁ আনন্দ মনেৰে ঈশ্বৰৰ কথা শুনি আছিল, ঈশ্বৰে তেওঁক কৈছিল, "তোমাক মই ৫০০০ মানুহৰ বাবে বিচৰা নাছিলো। মই তোমাৰ আগৰ গীৰ্জাঘৰখন ধ্বংস কৰি দিছিলো কিয়নো মই তোমাক লাখ লাখ মানুহৰ বাবে ব্যৱহাৰ কৰিবলৈ বিচাৰিছিলো।

ঈশ্বৰে হাতে হাতে নষ্ট কৰিছিল, যাতে চৰায়ে নিজে নিজে উৰিবলৈ শিকিব আৰু নিজৰ আহাৰ নিজেই গোটাই ল'ব। যাকোবে কিয় খটখটি সপোনত দেখিছিল? খটখটিটোৰ ওপৰত যিহোৱাক থিয় হৈ থকা তেওঁ দেখিছিল। খটখটিটোৰ বিষয়ে জানিবলৈ হ'লে আহক আমি যোহন ১ঃ৫১ পদটিক চাওঁহক ঃ যীচুৱে ক'লে, "**মই তোমালোকক সঁচাকৈয়ে কওঁ, তোমালোকে স্বৰ্গ মুকলি হোৱা দেখিবা আৰু ঈশ্বৰৰ দূতসকলে মানুহৰ পুত্ৰৰ ওপৰেদি উঠি যোৱা আৰু নামি অহা দেখিবা।**" সেই খটখটিটো যীচুখ্ৰীষ্টৰ প্ৰতীক হয়। যীচুখ্ৰীষ্টই খটখটি হয় যাৰ যোগেদি আপোনাৰ প্ৰাৰ্থনাক পিতৃ ঈশ্বৰলৈ নিয়া হয় আৰু তেওঁৰ উত্তৰ সমূহক তললৈ নমাই অনা হয়। **তেওঁৰ মূৰ আৰু চুলি বগা মেষৰ নোম আৰু হিমৰ নিচিনা বগা, তেওঁৰ চকু অগ্নিশিখাৰ তুল্য, তেওঁৰ চৰণ চকচকীয়া পিতলৰ নিচিনা, একেবাৰে অগ্নিশালত মসৃণ কৰা পিতলৰ নিচিনা ... তেওঁৰ সোঁ হাতত সাতোটা তৰা আছিল**... প্ৰকাশিত বাক্য ১ঃ১৪-১৬। যীচুখ্ৰীষ্ট যাৰ মুখখন এটা উজ্জ্বল সূৰ্য্যৰ দৰে আছিল খটখটিৰ দৰে তেওঁ হ'ল আৰু তেওঁ সদায় আমাৰ লগত আছে আৰু কেতিয়াও আমাক ত্যাগ নকৰাকৈ আমাক ৰক্ষা কৰে। ইয়োব ৯ঃ১১ পদত আমি পঢ়িবলৈ পাওঁ, "**চোৰা, তেওঁ মোৰ ওচৰেদি যায়, কিন্তু মই নেদেখোঁ, তেওঁ মোৰ সন্মুখেদি গমন কৰে, তথাপি মই তেওঁক অনুভৱ নকৰো।**" যেতিয়া তেওঁ আমাৰ লগত থাকে, তেওঁ আমাক আশীৰ্বাদ কৰিবলৈ সাজু থাকে, তাক আমি অনুভৱ কৰিব নোৱাৰো।

## ২। পৃথিৱীৰ আশীৰ্বাদসমূহ!

যেতিয়া আমি স্বৰ্গীয় আশীৰ্বাদসমূহ গ্ৰহণ কৰো, তাৰ লগতে তেওঁ আমালৈ জাগতিক আশীৰ্বাদকো যোগায়। পৃথিৱীৰ আশীৰ্বাদসমূহৰ বহুত গুৰুত্ব আছে। **যেতিয়া যিহোৱাই চীনয় পৰ্বতত মোচিৰ সৈতে কথা পাতি শেষ কৰিলে, তেতিয়া ঈশ্বৰে নিজৰ হাতেৰে লিখা সাক্ষ্য ফলি দুখন মোচিক দিলে**, যাত্ৰাপুস্তক ৩১ঃ১৮। মোচিয়ে



স্বৰ্গীয় আশীৰ্বাদ পোৱাৰ পাছত, তেওঁ লগত ঈশ্বৰে নিজে লিখা সাক্ষ্য ফলিকো আনিলে, যিটো চীনয় পৰ্বতৰ পৰা পৃথিৱীৰ আশীৰ্বাদ আছিল। এই যি পৃথিৱীলৈ আশীৰ্বাদ মানুহক পৰিচালনা কৰিবলৈ, সন্তানবিলাকক পথ দেখুৱাবলৈ আৰু পৰিয়ালক সহায় কৰাত দৰকাৰ আছিল। মোচিয়ে পৰ্বতৰ পৰা নামি অহাত পলম কৰাৰ বাবে মানুহবিলাকে হাৰোণক দামুৰিৰ প্ৰতিমা সাজিবলৈ হেঁচা দিলে আৰু তাক প্ৰণিপাত কৰিলে। যেতিয়া মোচিয়ে এইবোৰ দেখিলে তেওঁৰ বহুত খং উঠিল, তেওঁ শিলৰ ফলি দুখন পেলাই দিয়াত ভাঙি গৈছিল। আমি কেৱল স্বৰ্গীয় আৰু আত্মিক আশীৰ্বাদবোৰ পালে যথেষ্ট নহ'ব। আমাক পৃথিৱীৰ আশীৰ্বাদৰো প্ৰয়োজন আছে। এই আশীৰ্বাদে বেদনা, মানসিক চাপ আৰু দুখ কষ্টক গুচাই দিয়ে। এইদৰেও পৃথিৱীৰ আশীৰ্বাদবোৰ পাবলৈ সহায় কৰে। এই আশীৰ্বাদো ঈশ্বৰৰ পৰা আহে। গতিকে এই জাগতিক আশীৰ্বাদক আমি গ্ৰহণ কৰিব লাগিব। আমি এই আশীৰ্বাদক আমাৰ মানুহৰ বাবে, আমাৰ সন্তান আৰু আমাৰ পৰিয়ালবৰ্গৰ বাবে ব্যৱহাৰ কৰিব লাগিব আৰু তেওঁলোকক চলাব লাগিব। বহুত পৰিয়ালবিলাকে এই আশীৰ্বাদক গ্ৰহণ নকৰাৰ বাবে ডাঙৰ সমস্যাত পৰে। কিয়নো তেওঁলোকে ভাৱে

*৬ পৃষ্ঠাত চাওঁক*


## नहेम्याह बाइबल कॉलेज
## रेसिडेन्शल कॉलेज, चेन्नई।

माध्यमः हिन्दी

*सदस्यता के लिए पंजीकृत उम्मीदवार* - ATA

सुविख्यात अंतर्राष्ट्रीय मसीही अगुवे तथा पिछले 53 वर्षों से सेवारत वरिष्ठ पासवान

सर्टिफिकेट इन थियोलॉजी – 1 साल

डिप्लोमा ऑफ थियोलॉजी – 2 साल

योग्यता 10 वी या अधिक
जल्दी करें!

**Contact : The Chairman, Nehemiah Bible College.**

10, MOHAMMED ABDULLAH 2ND STREET, CHEPAUK, CHENNAI - 600 005, INDIA.
Phone : (+91-44) 2852 8282, Cell : (+91) 98410 71852 / 95661 31858
E.mail : sam@echoofhiscall.org / Website : www.echoofhiscall.org

★ ऑनलाइन कक्षाएं उपलब्ध हैं ★

# প্ৰধান আজ্ঞাৰ অংশীদাৰসকল

GREAT COMMISSION PARTNERS
ECHO OF HIS CALL MINISTRIES SINCE 1969

**বিলোৱা** (গালাতীয়া ৬ঃ২),
**সমৰ্থন আগবঢ়োৱা** (ৰোমীয়া ১২ঃ১৩) আৰু
**আগবাঢ়ি যোৱা** (২ তীমথিয় ১ ঃ ৬)

## প্ৰাৰ্থনাৰ অনুৰোধবোৰ

(অনুগ্ৰহ কৰি এই তালিকাখনি উলিয়াওক, ভাজ কৰক আৰু ইয়াক আপোনাৰ বাইবেলখনৰ ভিতৰত ৰাখক আৰু নিয়মীয়াকৈ প্ৰাৰ্থনা কৰক)



**প্ৰাৰ্থনা আৰু প্ৰশংসাৰ বিষয়সমূহ ঃ ২০২২ চনৰ ১৯ নৱেম্বৰৰ পৰা ২০২২ চনৰ ১৮ ডিচেম্বৰলৈ**

### প্ৰশংসাৰ বিষয়সমূহ

নৱেম্বৰ ১৯ ঃ আমাৰ বাইবেল যোগাযোগ পাঠ্যক্ৰম আৰু থিয়লজীকেল যোগাযোগ পাঠ্যক্ৰমৰ বৃদ্ধিৰ বাবে।

নৱেম্বৰ ২০ ঃ আমাৰ প্ৰাৰ্থনা অংশীদাৰসকল, চাবচক্ৰাইবিং অংশীদাৰসকল, বিশ্বাস অংশীদাৰসকল, জীৱন অংশীদাৰসকল , মহান আজ্ঞা অংশীদাৰসকল আৰু তেওঁলোকৰ পৰিয়ালবৰ্গৰ বাবে।

নৱেম্বৰ ২১ ঃ ১৬ টা ভাষাত থকা আমাৰ আলোচনীক আমাৰ ছপাশালত ছপা কৰি পাব্লিচ কৰিবলৈ সমৰ্থ কৰাৰ বাবে আৰু এইবোৰক মিশ্বন ফিল্ডলৈ পঠোৱাত সমৰ্থ কৰাৰ বাবে।

নৱেম্বৰ ২২ ঃ অক্টোবৰ মাহত আমাৰ সকলো আৱশ্যক সমূহক পূৰ্ণ কৰাৰ বাবে।

নৱেম্বৰ ২৩ ঃ আমাৰ চিকিৎসালয় সমূহত আচৰিত কাৰ্য্য হোৱাৰ বাবে।

নৱেম্বৰ ২৪ ঃ আমাৰ মুখ্য মণ্ডলী, শাখা মণ্ডলী আৰু ইয়াৰ বিশ্বাসীসকলৰ বাবে।

নৱেম্বৰ ২৫ ঃ আমাৰ ছেইন্ট পোলচ মেট্ৰিকুলেশ্বন স্কুলৰ অধ্যক্ষৰ বাবে, শিক্ষকসকল আৰু আন কৰ্মীসকলৰ বাবে।

নৱেম্বৰ ২৬ ঃ বিভিন্ন পৰিচৰ্য্যাৰ মাধ্যমেৰে শুভবাৰ্তা প্ৰচাৰ কৰিবলৈ আমাৰ জ্যেষ্ঠ পালকৰ অঙ্গীকাৰৰ বাবে।

নৱেম্বৰ ২৭ ঃ আমাৰ মণ্ডলীত নতুন নতুন বিশ্বাসীসকলৰ সৈতে আশীৰ্বাদ কৰাৰ বাবে।

নৱেম্বৰ ২৮ ঃ নতুন নতুন কৰ্মী যোগোৱাৰ দ্বাৰাই আমাৰ অনুস্থানক আশীৰ্বাদ কৰাৰ বাবে।

নৱেম্বৰ ২৯ ঃ ১২-০৯-২০২২ তাৰিখে চলাওঁতাসকলৰ মিটিঙত আশীৰ্বাদ থকাৰ বাবে।

নৱেম্বৰ ৩০ ঃ ৩০-০৯-২০২২ তাৰিখে চেপাকৰ পৰা সকলো বিশ্বাসীসকলৰ প্ৰাৰ্থনা সভাত আশীৰ্বাদ থকাৰ বাবে।

ডিচেম্বৰ ০১ ঃ আমাৰ সকলো কৰ্মী আৰু তেওঁলোকৰ পৰিয়ালবৰ্গৰ ওপৰত আশীৰ্বাদ থকাৰ বাবে।

ডিচেম্বৰ ০২ ঃ আমাৰ সহ সম্পাদকসকল আৰু তেওঁলোকৰ সহযোগিতাৰ বাবে।

ডিচেম্বৰ ০৩ ঃ আমাৰ দেওবৰীয়া উপাসনা আৰু শুভবাৰ্তা নোপোৱা ঠাইবিলাকত শুভবাৰ্তা বিলাবলৈ আমাৰ কেন্দ্ৰ মণ্ডলী আৰু শাখা মণ্ডলীসমূহৰ পৰিচৰ্য্যাৰ বাবে।

### প্ৰাৰ্থনাৰ বিষয়সমূহ

ডিচেম্বৰ ০৪ ঃ আটাই দেশ সমূহৰ মাজত একতা আৰু শান্তিৰ বাবে।

ডিচেম্বৰ ০৫ ঃ আমাৰ ছেইন্ট পৌলচ মেট্ৰিকুলেশ্বন স্কুল আৰু নহিমিয়া বাইবেল কলেজৰ কৰ্মী আৰু ছাত্ৰ-ছাত্ৰী সকলৰ বাবে।

ডিচেম্বৰ ০৬ ঃ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ সহকাৰী সম্পাদকসকল আৰু তেওঁবিলাকৰ পৰিয়ালবৰ্গৰ বাবে।

ডিচেম্বৰ ০৭ ঃ আমাৰ চৌহদৰ কৰ্মস্থলীত কৰ্মীসকলৰ নিৰাপত্তা আৰু স্বাস্থ্যৱানৰ বাবে।

ডিচেম্বৰ ০৮ ঃ আমাৰ নহিমিয়া বাইবেল কলেজৰ বাসগৃহৰ ছাত্ৰ-ছাত্ৰীসকলৰ সুস্বাস্থ্যৰ বাবে।

ডিচেম্বৰ ০৯ ঃ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ আলোচনী খন সিন্ধী, কনকনী আৰু মণিপুৰী ভাষাত পাব্লিচ কৰিবৰ বাবে।

ডিচেম্বৰ ১০ ঃ আমাৰ সংস্থাৰ বাবে সুদক্ষ কৰ্মীৰ প্ৰয়োজন।

ডিচেম্বৰ ১১ ঃ যুৱকসকলৰ মাজত থকা আত্মহত্যাৰ আত্মাক দূৰীকৰণ।

ডিচেম্বৰ ১২ ঃ আমাৰ মুখ্য মণ্ডলী আৰু শাখা মণ্ডলীসমূহৰ সদস্যসকলক লাভালাভ।

ডিচেম্বৰ ১৩ ঃ এই মাহত ঈশ্বৰে আমাৰ প্ৰয়োজনীয়বিলাক যোগাবলৈ।

ডিচেম্বৰ ১৪ ঃ আমাৰ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ পৰিচৰ্য্যাত থকা অংশীদাৰসকল আৰু ৰাজ্যিক সহ-পৰিচালকসকল।

ডিচেম্বৰ ১৫ ঃ আমাৰ পৰিচৰ্য্যাৰ বৃদ্ধি আৰু বিশ্বজোৰা শুভবাৰ্তাৰ বৃদ্ধি পাবলৈ।

ডিচেম্বৰ ১৬ ঃ গোটেই পৃথিৱীৰ মহিলা আৰু শিশুসকলৰ নিৰাপত্তা।

ডিচেম্বৰ ১৭ ঃ আমাৰ জ্যেষ্ঠ পালকে লিখি থকা তেওঁৰ আত্মজীৱনীৰ কৃতকাৰ্য্যতা।

ডিচেম্বৰ ১৮ ঃ আমাৰ জ্যেষ্ঠ পালক এচ. চাম ছেলভা ৰাজ আৰু তেওঁৰ পৰিয়ালৰ সদস্যসকলক সকলো দুষ্ট শক্তিৰ পৰা ৰক্ষা।

*(চতুৰ্থ পৃষ্ঠাৰ পৰা)*

যে স্বৰ্গীয় আশীৰ্বাদ থাকিলেই যথেষ্ট, পৃথিৱীৰ আশীৰ্বাদক অস্বীকাৰ কৰে আৰু ঈশ্বৰে তেওঁলোকক দিয়া আশীৰ্বাদক ভাঙি দিয়ে। গতিকে তেওঁলোক দুখত থাকে।

ইয়োবে এদিনতে তেওঁৰ সকলো জাগতিক বস্তুবোৰক হেৰুৱাইছিল। তেওঁ ৭০০০ মেৰ, ৩০০০ উট, ৫০০ হাল বলদ ৫০০ গাধী, তেওঁৰ নিজ পুতেক আৰু জীয়েক আৰু দাস-দাসীক হেৰাইছিল। ইয়োবে জানিছিল যে তেওঁৰ প্ৰভু ঈশ্বৰে তেওঁ হেৰুৱা সকলো বস্তুক দুগুণ কৰি তেওঁক ঘূৰাই দিব। তেওঁ জানিছিল যে ঈশ্বৰে তেওঁক কেতিয়াও পৰিত্যাগ নকৰিব। যদিও আমি চয়তানৰ পৰীক্ষাৰ দ্বাৰাই সকলো জাগতিক আশীৰ্বাদবোৰক হেৰাই, ঈশ্বৰে তাক দুগুণ কৰি আমাক ঘূৰাই দিব পাৰে। "...**মই পিতলৰ দুৱাৰবোৰ ভাঙি ডোখৰ ডোখৰ কৰিম, আৰু লোহাৰ ডাংবোৰ কাটি টুকুৰা টুকুৰ কৰিম। মই যে তোমাৰ নাম কাঢ়ি মাতোতা ইস্ৰায়েলৰ ঈশ্বৰ যিহোৱা, তুমি তাক জানিবৰ বাবে, মই আন্ধাৰত থকা বহুমূল্য বস্তু তোমাক দিম**। ...যদিও তুমি মোক নাজানা, তথাপিও মই **তোমাক নাম ধৰি মাতিলো**। (যিচয়া ৪৫ঃ২-৪)।

যিহোৱাই মোচিক ক'লে, "**তুমি প্ৰথম ফলিৰ দৰে দুখন শিলৰ** ফলি কাটা। তুমি ভঙা আগৰ **ফলি দুখনত যি যি লিখা আছিল, সেই সকলো কথা, মই পুনৰ এই দুখন ফলিত লিখিম**।" যাত্ৰাপুস্তক ৩৪ঃ১।

যদি আপুনি ঈশ্বৰৰ প্ৰতিজ্ঞাক বা জাগতিক আশীৰ্বাদবোৰক ভাঙিছে, অনুগ্ৰহ কৰি জানি লওক যে ঈশ্বৰে এইবোৰক আপোনালৈ পুনৰ ঘূৰাই দিব। বিশ্বাসত কাৰ্য্য কৰক। ঈশ্বৰে নিশ্চয়ে আপোনাৰ প্ৰয়োজনীয় বস্তুবোৰক যোগাব।

## ৩। স্তনৰ আশীৰ্বাদসমূহ !

স্তনৰ আশীৰ্বাদসমূহে মাতৃয়ে তেওঁৰ সন্তানক তুলি ডাঙৰ-দীঘল কৰাক বুজায়। যোচেফে স্তনৰ আৰু গৰ্ভৰ আশীৰ্বাদ সমূহক লাভ কৰিছিল। ২ ৰাজাৱলী ৪ঃ৮ পদত আমি এগৰাকী চুনেমীয়া মহিলাৰ বিষয়ে পঢ়িবলৈ পাওঁ, তেওঁ এগৰাকী ধনী মহিলা আছিল। তেওঁ ঘৰৰ চাদৰ ওপৰত এটা কোঠালি নিৰ্মাণ কৰিছিল। তেওঁ ঈশ্বৰৰ দাসসকলক সেৱা আগবঢ়াই ভাল পাইছিল। গতিকে তেওঁ



দাসসকলক সেই কোঠাতে থাকিবলৈ ঠাই দিছিল। তেওঁ ঈশ্বৰৰ দাসকলৰ সকলো প্ৰয়োজনবোৰক যোগাইছিল, ..."**চোৱা, আপুনি আমাৰ কাৰণে এই সকলো কষ্ট কৰিলে, এতিয়া আপোনাৰ কাৰণে আমি কি কৰিব পাৰো?**" ... ২ ৰাজাৱলী ৪ঃ১৩ পদত ইলীচাই এইদৰে ক'লে। ইয়াৰ পৰাই আমি জানো যে তেওঁ ঈশ্বৰৰ দাসসকলক ভালকৈ যত্ন লৈছিল। যীচুখ্ৰীষ্টই তেওঁ শিষ্যসকলক কৈছিল, "**যিকোনোৱে খ্ৰীষ্টৰ লোক বুলি তোমালোকক এবাটি পানীকে খুৱায়, মই তোমালোকক স্বৰূপকৈ কওঁ-তেওঁ নিজৰ পুৰস্কাৰ কোনোমতে নেহেৰুৱাব**" (মাৰ্ক ৯ঃ৪১)। ঈশ্বৰৰ দাসসকললৈ আপুনি যিকোনো সেৱা আগবঢ়ালে স্বৰ্গই তাৰ স্বীকৃতি দিয়ে। কোনসকল ঈশ্বৰৰ দাস হয়? যিসকলে আপোনাৰ আত্মা আৰু প্ৰাণৰ ভালৰ অৰ্থে চেষ্টা কৰে আৰু তেওঁলোকে আপোনাৰ জীৱনত আপুনি কৃতকাৰ্য্য হ'বৰ বাবে প্ৰাৰ্থনা কৰে। তেওঁলোকে আপোনাৰ বিষয়ে স্বৰ্গত জনাই দিয়ে। "**যিহোৱা মোৰ ৰক্ষক; মোৰ অভাৱ নহ'ব**" গীতমালা ২৩ঃ১। মেৰৰখীয়াৰ হাতত থকা লাখুটিডালে কুমলীয়া পাতবোৰক টানি অনাত সহায় কৰে, যাতে মেৰবিলাকে সেইবোৰক খাব পাৰিব। যেতিয়া মেৰবিলাকে মাটিৰ ওপৰত থকা ঘাঁহখিনি খাই শেষ কৰে, সেই লাখুটি ডালে গছৰ পৰা কুমলীয়া পাতবোৰক নমাই আনে। এইটোও এটা স্তনৰ আশীৰ্বাদ। যিদৰে মাতৃয়ে তেওঁৰ শিশুটিক তেওঁৰ স্তনৰ পৰা গাখীৰ খুৱায়, তেনেদৰে ঈশ্বৰৰ দাসসকলে প্ৰভুৰ পৰা আশীৰ্বাদবোৰক নমাই আনি মানুহবিলাকক দিয়ে। এইদৰে আমি ঈশ্বৰৰ দাসসকলৰ পৰা স্তনৰ আশীৰ্বাদপ্ৰাপ্ত আশীৰ্বাদবোৰক গ্ৰহণ কৰিব লাগে।

"...**কিন্তু হান্নাৰ কোনো সন্তান নাছিল**।" ১ চামুৱেল ১ঃ২। "...**কিয়নো যিহোৱাই তেওঁৰ গৰ্ভবন্ধ কৰি ৰাখিছিল**।" ১ চামুৱেল ১ঃ৬। এই পদবিলাকত আমি পাওঁ যে যিহোৱাই তেওঁৰ গৰ্ভ বন্ধ কৰি ৰাখিছিল। হান্নাই সংকল্প কৰি ক'লে, যদি ঈশ্বৰে তেওঁক এটি পুত্ৰ সন্তান দিয়ে, তেন্তে দাসীয়ে সি জীয়াই থকালৈকে যিহোৱাৰ উদ্দেশ্য তাক উৎসৰ্গা কৰিব।

নহিমিয়া বাইবেল সন্ধ্যা মহাবিদ্যালয়
চেপাক আৰু সন্তোষাপুৰম, চেন্নাই

মাধ্যম ঃ তামিল

যোৱা ৫৩ বছৰ ধৰি আন্তৰাষ্ট্ৰীয় জ্যেষ্ঠ পালকসকল আৰু খ্ৰীষ্টিয়ান নেতাসকলৰ দ্বাৰা অনুমোদন প্ৰাপ্ত! ATA

প্ৰমাণ পত্ৰ পাঠ্যক্ৰম ঃ এবছৰীয়া
ডিপ্লমা ইন থিয়ল'জি ঃ দুবছৰীয়া

অৰ্হতা ঃ দশম শ্ৰেণী উত্তীৰ্ণ বা অধিক
নামভৰ্তিৰ বাবে সোনকাল কৰক !

Contact : The Chairman, Nehemiah Bible College.
10, MOHAMMED ABDULLAH 2ND STREET, BELLS ROAD, CHEPAUK, CHENNAI - 600 005, INDIA.
Phone : (+91-44) 2852 8282, Cell : (+91) 98410 71852 / 95661 31858
E.mail : sam@echoofhiscall.org / Website : www.echoofhiscall.org

১। **‘শিশু গৰ্ভধাৰণ কৰা’** মানে ‘ঈশ্বৰৰ দৰ্শনক গ্ৰহণ কৰা-কিন্তু এইটোৱেই কেৱল গুৰুত্বপূৰ্ণ নহয়।

২। **শিশুটি জন্ম ল’ব লাগে**-তাৰ মানে ঈশ্বৰৰ দৰ্শনক গ্ৰহণ কৰাৰ দ্বাৰাই আমি ফলাফল ভিত্তিত হ’ব লাগে।

৩। **তেতিয়া আপুনি সন্তানটিক ডাঙৰ কৰিব লাগিব**- এবাৰ যেতিয়া আপুনি ঈশ্বৰৰ দৰ্শন পায়, আপুনি সেই দৰ্শকক ডাঙৰ কৰি লাগিব আৰু বহুত যত্নৰে তাক কাৰ্য্যত পৰিণত কৰিব লাগিব।

ঈশ্বৰৰ দাসসকল সেই মাতৃবিলাকৰ দৰে হ’ব নালাগে যিবিলাকে নতুন সন্তান জন্ম দিয়াৰ পাছত জাবৰত পেলাই দিয়ে। শুভবাৰ্তা প্ৰচাৰ কৰাৰ দ্বাৰাই আমি আনত ঈশ্বৰৰ দৰ্শন সৃষ্টি কৰিব পাৰো। কিন্তু তেওঁলোকে ইয়াক গ্ৰহণ কৰাৰ পাছত, আমি তেওঁলোকক এনেই অকলে এৰি দিব নোৱাৰো। আমি সেই আত্মাবোৰক আত্মাত, বাক্যক আৰু সত্যত ডাঙৰ কৰিব লাগিব। আদিপুস্তক ২১ঃ৮ পদত আমি পাওঁ যে অব্ৰাহামৰ পুত্ৰ ডাঙৰ হ’ল আৰু তেওঁৰ পিয়াহো এৰুৱালে। পিয়াহ এৰুৱাৰ দিনা অব্ৰাহামে এক বৰভোজ পাতিলে। মণ্ডলীত এজন ব্যক্তিয়ে এটা দৰ্শন গ্ৰহণ কৰাৰ পাছত, ঈশ্বৰৰ দাসজনে তেওঁক আত্মিক সত্য আৰু তাত বাঢ়ি যাবলৈ সহায় কৰিব লাগে। যিদৰে মাতৃয়ে তেওঁৰ সন্তান বিলাকক ডাঙৰ কৰিবলৈ তেওঁৰ দুগ্ধপান কৰায়, ঠিক একেদৰে ঈশ্বৰৰ দাসসকলে, যিসকলে স্তনৰ আশীৰ্বাদক গ্ৰহণ কৰিছে, পবিত্ৰ আত্মাৰ শক্তিত থিয় হৈ তাক মণ্ডলীৰ ওপৰত, মানুহৰ ওপৰত আগবঢ়াই দিব লাগে আৰু তেওঁলোকক বাঢ়ি যোৱাত সহায় কৰিব লাগে। ঈশ্বৰৰ মণ্ডলী বহুত শক্তিশালী হ’ব লাগে। **...মৃত্যুৰ কোনো শক্তিয়ে ইয়াক পৰাজয় কৰিব নোৱাৰিব।** মথি ১৬ঃ১৮। ঈশ্বৰৰ লোকসমূহে মণ্ডলীত ৰোপণ কৰা হ’ল; **তেওঁলোক আমাৰ ঈশ্বৰৰ চোতাল কেইখনত প্ৰফুল্লিত হ’ব।** গীতমালা ৯২ঃ১৩।

## *৪। গৰ্ভৰ আশীৰ্বাদসমূহ!*

**পাছত ইলীচাই ঘৰলৈ আহি দেখিলে যে, তেওঁৰ বিচনাতে মৃত ল’ৰাটি শুৱাই থোৱা আছে। তেতিয়া তেওঁ অকলেই ঘৰৰ ভিতৰত সোমাই দুৱাৰ বন্ধ কৰি যিহোৱাৰ আগত প্ৰাৰ্থনা কৰিলে। তাৰ পাছত তেওঁ বিচনাৰ ওপৰত উঠি ল’ৰাটিৰ মুখৰ ওপৰত নিজৰ মুখ,** চকুৰ ওপৰত নিজৰ চকু আৰু হাতৰ তলুৱাৰ ওপৰত হাত ৰাখি **শুই দিলে; তেওঁ ল’ৰাটিৰ ওপৰত যেতিয়া দীঘল হৈ পৰিল। তেতিয়া ল’ৰাটিৰ গা গৰম হৈ উঠিল।**

**তাৰ পাছত ইলীচাই নামি আহি ঘৰৰ ভিতৰতে অহা-যোৱা কৰি ফুৰিলে; পাছত পুনৰায় বিচনাত উঠি লৈ ল’ৰাটিৰ ওপৰত দীঘল হৈ পৰিল। তাতে ল’ৰাটিয়ে সাতবাৰ হাঁচি মাৰি চকু মেলি চালে।** ২ ৰাজাৱলী ৪ঃ৩২-৩৫।

এইটোও এটা আশীৰ্বাদ, যাক ঈশ্বৰৰ দাসসকলৰ যোগেদি মানুহৰ দ্বাৰাই গ্ৰহণ কৰা গৈছিল। যিদৰে এগৰাকী মাতৃয়ে যন্ত্ৰণা সহ্য কৰি শিশু জন্ম দিয়ে, একেদৰে ঈশ্বৰৰ দাসসকলে ঈশ্বৰৰ শক্তিক গ্ৰহণ কৰে আৰু তাক মানুহবিলাকলৈ প্ৰচাৰ কৰাৰ দ্বাৰাই সক্ৰিয় কৰে, তেওঁলোকক বৃদ্ধি হ’বলৈ সহায় কৰে, মণ্ডলীলৈ আৰু অধিক মানুহ আনিবলৈ প্ৰেৰণা যোগায় আৰু এইদৰে অধিক মণ্ডলী স্থাপন কৰে। এইক্ষেত্ৰত ঈশ্বৰৰ দাসসকলৰ ভূমিকাটো গুৰুত্বপূৰ্ণ হ’ব। যিকোনো আজ্ঞা তেওঁলোকে ঈশ্বৰৰ পৰা পায় তাক মানুহলৈ আৰু মণ্ডলীলৈ নিশ্চয় দিব লাগে। তেওঁলোকে ঈশ্বৰৰ অভিজ্ঞতাক ৰক্ষা কৰা উচিত।

যেতিয়া আমি পৰিচৰ্য্যা কৰিবলৈ ঈশ্বৰৰ পৰা আহ্বান পাঁও, আমি তাক গ্ৰহণ কৰা উচিত আৰু পিছলৈ ঘূৰি যাব নালাগে। যীচুখ্ৰীষ্টৰ শিষ্য, থোমা, যদিও তেওঁ ভাৰতৰ ভাষা আৰু সংস্কৃতিৰ বিষয়ে একো জনা নাছিল, তেওঁ সকলো ব্যৱস্থা নিজে কৰি লৈ ভাৰতলৈ আহিছিল। তেওঁ তেওঁৰ বিশ্বাসৰ যোগেদি ঈশ্বৰৰ শক্তিক প্ৰকাশ কৰিব পাৰিছিল। তেওঁৰ সমৰ্পিত পৰিচৰ্য্যাৰ বাবে, ঈশ্বৰৰ মহিমা প্ৰকাশিত হৈছিল। জাক জাক মানুহে নিজ নিজ পাপবোৰ স্বীকাৰ কৰিছিল। প্ৰায় ৩০ লাখ মানুহে মন-পালটন কৰিছিল বুলি উল্লেখ হৈছে। তাৰে মাজৰ প্ৰায় ৭ লাখ মানুহ ঈশ্বৰৰ অনুগ্ৰহৰ দ্বাৰাই পৰিচৰ্য্যাত আছে। যদি এই মানুহবিলাকে সঠিকভাৱে পৰিচৰ্য্যা কৰে, আমি কল্পনা কৰিব

*....Contd. to page 9*


## ডাক বিভাগৰ জৰিয়তে তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ পাঠ্যক্ৰম কেৱল ভাৰতীয় প্ৰাৰ্থীসকলৰ বাবে

### ১। বিব্লিকৰ

বাইবেলৰ সত্যতাৰ ওপৰত ভিত্তি কৰি আমি ইংৰাজী ৫৭ পৃষ্ঠা, হিন্দী ৭৬ পৃষ্ঠা আৰু তামিলত ৯৬ পৃষ্ঠাৰ ডাক বিভাগৰ জৰিয়তে পাঠ্যক্ৰম আগবঢ়াইছো। আপোনাৰ বাবে নতুন জীৱন - নামেৰে এখন পাঠ্যক্ৰমৰ কিতাপ লাভ কৰিব। এই পাঠ্যক্ৰমৰ অন্তত, আপুনি এখন চাৰ্টিফিকেট লাভ কৰিব। ইয়াৰ বাবে কোনো নিৰ্দিষ্ট মাচুলৰ প্ৰয়োজন নহ’ব। আপুনি আশীৰ্বাদ প্ৰাপ্ত হ’ব।

### ২। থিয়’লজিকেল যোগাযোগৰ পাঠ্যক্ৰম

পালকসকল, প্ৰচাৰকসকল আৰু খ্ৰীষ্টিয়ান নেতাসকল আৰু সাধাৰণ লোকৰ বাবেও থিয়’লজিকেল যোগাযোগ পাঠ্যক্ৰম যাক উন্নত দূৰত্বৰ শিক্ষা বোলা হয়। ইংৰাজীত ৫৩৭ পৃষ্ঠাৰ আৰু তামিলত ৬৫২ পৃষ্ঠাৰ যিসকলৰ ঈশ্বৰৰ পৰিচৰ্যা কৰিবলৈ ইচ্ছুক ল’ব পাৰিব। ১০০০ টকাৰ মাছুল লোৱা হ’ব। ১৪৯ পাঠৰ ৭ খন পুস্তক পঠিওৱা হ’ব। **চাৰ্টিফিকেট ইন মিনিষ্ট্ৰি** বঁটা দিয়া হ’ব। ঈশ্বৰে আপোনাক আশীৰ্বাদ কৰক!

*অধিক জানিবৰ বাবে আমালৈ আজিয়েই লিখক*

**The Chairman, Nehemiah Bible College,**
**Echo of His Call,** **Post Box 2957**
CHEPAUK, CHENNAI - 600 005.
**Ph.: (044) 2852 8282, 2852 9293, 2854 7766,**
**Cell : 98410 71852, 95661 31858**
**E.mail : biblecor@yahoo.co.in**



## কৰ ৰেহাই

ইখ অব হিজ কল, এডুকেচ্নেল ট্ৰাষ্টলৈ কোনো ব্যক্তিগতভাৱে অথবা সংস্থানৰ যোগেদি বৰঙণি দিলে Income Tax Actৰ চেকশ্বন 80 G দ্বাৰা কৰ ৰেহাই হ’ব। ইয়াৰ বাবে কাৰ্য্যালয়ৰ পৰা ৰচিদ দিয়া হ’ব। অনুগ্ৰহ কৰি আপোনাৰ চেক/ড্ৰাফ্‌ট/মণি অৰ্ডাৰ "ECHO OF HIS CALL EDUCATIONAL TRUST" নামলৈ পঠিয়াওক।

| | | |
|---|---|---|
| **Account Name** | : | **ECHO OF HIS CALL EDUCATIONAL TRUST** |
| **Account Number** | : | **1023 2923 805** |
| **Bank Name** | : | **STATE BANK OF INDIA** |
| **Branch** | : | **TRIPLICANE, CHENNAI - 600 005** |
| **IFSC Code** | : | **SBIN 0000249** |
| **SWIFT Code** | : | **SBI NIN BB 455** |



# গৰাহৰ পৰা ৰাজগৃহলৈ
## PIT TO PALACE

(পালক এচ, চাম ছেলভা ৰাজৰ জীৱনৰ অভিজ্ঞতা)

**"যিজনে পঢ়ে, তেওঁ বুজক" মথি ২৪ ঃ ১৫**

## ঈশ্বৰেই যথেষ্ঠ ! GOD IS SUFFICIENT!

"যি সকলে যিহোৱাক বিচাৰে, তেওঁলোকৰ মঙ্গলৰ অভাৱ নহয়..."গীতমালা ৩৪ঃ১০

১৯৬৯ চনৰ পৰা যেতিয়া তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ পৰিচৰ্য্যাসমূহৰ বাবে আমাক ধনৰ প্ৰয়োজন হৈছিল। কৰ্মীসকলৰ বাবে, ছপা কৰিবলৈ কাগজৰ বাবে, পোষ্টৰ ষ্টাম্পৰ বাবে, টেলিফোনৰ বিলৰ বাবে, বিদ্যুতৰ বিলৰ বাবে, ঘৰ ভাড়াৰ বাবে, যাতায়তৰ বাবে, সমাজ সেৱা আৰু ইত্যাদিৰ বাবে ধনৰ প্ৰয়োজন হৈছিল।

ব্যক্তিগতভাৱে ক'বলৈ গ'লে, মোৰ বাবে মোৰ প্ৰভু যীচুখ্ৰীষ্টই যথেষ্ট আছে। যিদিনালৈকে মোক ধনৰ প্ৰয়োজন আছিল তেতিয়ালৈকে মই কাৰো দুৱাৰ বা কোনো অফিচৰ দৰ্জাত টুকুৰিৱা নাছিলো। মই আনকি আৰ্থিক সহায়ৰ বাবে মোৰ মণ্ডলীৰ বিশ্বাসী বা বন্ধুবৰ্গৰ কাষ চপাৰ অভ্যাস কৰা নাছিলো। কিন্তু এতিয়ালৈকে, যিজন ঈশ্বৰে মোক আহ্বান কৰিছে, তেওঁ তেওঁৰ উচিত সময়ত আচৰিতভাৱে মোৰ সকলো প্ৰয়োজন সমূহ পূৰ্ণ কৰে।

**নিজ নিজ উপযুক্ত সময়ৰ বাবে ঈশ্বৰে সকলোবোৰ ঠিক কৰি ৰাখিছে উপদেশক** ৩ঃ১১ পদ।

মোৰ অভাৱ আৰু কষ্টৰ সময়ত মই এনে পৰিস্থিতিক 'ধৈৰ্য্য ধৰিবলৈ মোৰ সময়', 'এই সময়তে যেতিয়া ঈশ্বৰে মোক প্ৰাৰ্থনা কৰিবলৈ বাধ্য কৰায়' আৰু 'প্ৰাৰ্থনাত ঈশ্বৰৰ সৈতে এটা সু-সম্পৰ্ক গঢ়ি তোলাৰ সময়'ৰ দৰে চাবলৈ অভ্যাস কৰো। এই অভিজ্ঞতা বিলাকৰ পাছত মই মহান আচৰিত কৰ্ম বিলাকক উপভোগ কৰো। এনে পৰিস্থিতিত মোক সহায় কৰিবলৈ ঈশ্বৰে অনেক অচিনাকি মানুহক মোক দিলে। বহুত সময়ত ঈশ্বৰে মোৰ অচিনাকি মানুহৰ দ্বাৰাই মোক আৰু মোৰ পৰিয়ালক আহাৰ যোগালে!

১৯৭৫ চনত মই বাপুজী ছপাশাললৈ য'ত আমাৰ আলোচনী তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি ছপা কৰা কৰা হৈছিল তাত ৩০০ টকা দিবলগীয়া আছিল। মোৰ হাতত টকা নথকা হেতুকে ঋণ পৰিশোধ কৰাত পলম হৈ আছিল। এদিন এটা বিশেষ বৃহস্পতিবাৰে মই ছপাশালৰ মেনেজাৰক অহা সোমবাৰে টকা পৰিশোধ কৰি দিম বুলি ক'লো। কিন্তু ইমান টকা গোটাবলৈ মোৰ ওচৰত উপাৰ্জনৰ কোনো ব্যৱস্থা নাছিল। যদি মই ধন পৰিশোধ কৰাত ব্যৰ্থ হওঁ, মই সেই মাহৰ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ আলোচনী পাব্লিচ কৰাত ব্যৰ্থ হ'লোহেঁতেন আৰু চৰকাৰ ফালৰ পৰাও বহুত সমস্যাৰ সন্মুখীন হ'লোহেঁতেন। মোৰ সেই অৱস্থাৰ বিষয়ে মই ঈশ্বৰলৈ প্ৰাৰ্থনা কৰিলো আৰু শান্তিত থাকিলো। পৰৱৰ্তী দেওবাৰলৈকে সেই টকা মোৰ হাতলৈ অহা নাছিল।

সোমবাৰে পুৱা বেলাত ডাকঘৰত থকা মোৰ চিঠিৰ বাকচ যেতিয়া খুলি চালো, তাত মই নাগালাপুৰাম পৰা অহা এখন সৰু খাম পালো, নাগালাপুৰাম দক্ষিণ ভাৰতৰ মাদুৰাই আৰু টুটিকৰিনৰ মাজত থকা এখন সৰু গাঁও। সেই খাম খনৰ ভিতৰত বেঙ্কৰ এখন ডিমাণ্ড ড্ৰাফ্ট আছিল আৰু তাত ৩০০ টকা লিখা আছিল (তাতকৈ বেছি লিখা নাছিল। সেই দিনা মই যি ধন দিবলৈ প্ৰতিশ্ৰুতি দিছিলো, ঈশ্বৰে মোক পৰিশোধ কৰিবলৈ সহায় কৰিলে। ঈশ্বৰৰ মহিমা হওঁক!



বহুত বছৰৰ পাছত, নাগালাপুৰামলৈ গৈ মই সেই ব্যক্তিজনক লগ কৰিলো। মই আচৰিত হৈছিলো, কিয়নো সেই ব্যক্তিজন এজন দৰিদ্ৰ মুচি আছিল।

তেওঁ মোক দেখি বহুত আনন্দিত হৈছিল। তেওঁ মোক কৈছিল, "চাৰ, সেই বিশেষ বৃহস্পতিবাৰে মই অনুভৱ কৰিলো যে কোনোবাই মোৰ হৃদয়ত কথা কৈ আছে আৰু টকা পঠাবলৈ হেঁচা দি আছে। সেই দিনা তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ পৰিচৰ্য্যালৈ পঠাবলৈ যি মোৰ হাতত ৩০০ টকা আছিল, তাকে পঠালো। গতিকে সেই টকা মই শুকুৰবাৰে পঠাইছিলো আপুনি তাক সোমবাৰে পালে।" এইদৰে প্ৰভু যীচুখ্ৰীষ্টই আমাৰ সকলো প্ৰয়োজনীয় বস্তুসমূহ অচিনাকি মানুহৰ যোগেদি যোগাই আছে।

হয়, এইটো এটা দুখ-কষ্টৰ পথ হ'ব পাৰে! তথাপি, প্ৰতিদিনে মই ঈশ্বৰৰ মহানতাক সাক্ষ্য দিবলৈ সমৰ্থ হৈছো। যিহোৱা মোৰ ৰক্ষক, মোৰ একো অভাৱ নহ'ব।

**যিহোৱা মোৰ ৰক্ষক, মোৰ একো অভাৱ নহ'ব।** (গীতমালা ২৩ঃ১)

**যিকোনো জ্ঞানী, সি এই সকলো কথালৈ মন দিব।** (গীতমালা ১০৭ঃ৪৩)

❖❖❖❖❖

....Contd. from page 7

পাৰো যে কিমান মানুহে মন-পালটন কৰিলেহেঁতেন আৰু ঈশ্বৰৰ সন্তান হ'লহেতেন। এইদৰে হ'বলৈ হ'লে, আমাক গৰ্ভৰ আশীৰ্বাদৰ প্ৰয়োজন আছে। যিদৰে এগৰাকী মাতৃয়ে তেওঁৰ যান্ত্ৰণাত শিশুক জন্ম দিয়ে। যদি আমি তেওঁৰ পৰিচৰ্য্যালৈ আমাৰ আহবানক আন্তৰিকতাৰে সমৰ্পিত হওঁ আমিও মানুহবিলাকৰ জল মন-পালটন কৰাব পাৰো।

২ ৰাজাৱলী ৪ঃ১৮ পদত এটি ল'ৰাৰ তেওঁৰ পিতৃ যেতিয়া শস্য দোৱা লোকসকলৰ লগত আছিল, তেতিয়া সি তাৰ পিতৃৰ ওচৰলৈ গ'ল। সন্তানবিলাকে ডাঙৰ হোৱাৰ পাছত পিতৃৰ কাম-কাজত সহায় কৰিব লাগে। ঠিক একেদৰে যেতিয়া মণ্ডলী বা ঈশ্বৰৰ দাসসকল বা মণ্ডলীৰ বিশ্বাসীসকল ডাঙৰ হয়, তেতিয়া তেওঁলোকে আনবিলাকক সেৱা কৰা উচিত। ল'ৰাটিয়ে বাপেকক ক'লে, "ওহ! মোৰ মূৰটো, মোৰ মূৰটো" বাপেকে এজন দাসক ক'লে, "ইয়াক দাঙি মাকৰ ওচৰলৈ লৈ ব'লা।" ২ ৰাজাৱলী ৪ঃ১৯। যিদৰে ঈশ্বৰৰ এজন সন্তান ৰোগত পৰে, ঈশ্বৰৰ দাস সকলে আৰু বিশ্বাসীসকলে তেওঁলোকৰ প্ৰাৰ্থনাশীল জীৱনত, পৰিচৰ্য্যাত আৰু গীৰ্জালৈ আহোঁতে সমস্যাৰ সন্মুখীন হয়। এনে সমস্যাবোৰক আমি অৱজ্ঞা কৰিব নালাগে। এইটো এটা ৰোগ হয় আৰু আমি ইয়াক অৱহেলা কৰা উচিত নহয়। যদি ইয়াক অৱহেলা কৰা হয়, তেন্তে ইয়ে আত্মিক মৃত্যু আনিব পাৰে। এই ঘটনাটোতো এইদৰেই ঘটিছিল। সেই ল'ৰাটিয়ে মাতৃৰ চৰণত পৰি প্ৰাণ ত্যাগ কৰিছিল। যদি আমি আমাৰ আত্মিক জীৱনত আত্মিক মৃত্যুৰ বা আত্মিক প্ৰচেষ্টাৰ সন্মুখীন হওঁ, আমি গীৰ্জালৈ যাব লাগে আৰু প্ৰভু ঈশ্বৰলৈ আহিব লাগে। কেৱল মাতৃয়ে তেওঁৰ সন্তানক ৰক্ষা কৰিব পাৰে। যেতিয়া আমি গীৰ্জালৈ যাওঁ, প্ৰভু ঈশ্বৰ, যিজন আমাৰ মাতৃৰ দৰে আছে, তেওঁ আমাক নিশ্চয়ে ৰক্ষা কৰিব। যিবিলাকে মৃতৰ দৰে থাকে, ঈশ্বৰৰ বাবে কেতিয়াও একো কৰিব নোৱাৰে আৰু তেওঁৰ বাবে জিলিকিব নোৱাৰে।

যিহিস্কেল ৪৭ঃ৩-৫ পদত আমি পঢ়িবলৈ পাওঁ যে জলসমূহৰ মাজেদি যাবলৈ এক হাজাৰ হাত জোখা হ'ল আৰু সেয়ে খাৰ গাঁঠিয়া পানী আছিল। তেতিয়া পুনৰ এক হাজাৰ হাত জোখা হ'ল, সেয়ে এক আঁঠু পানী হ'ল। পুনৰায় এক হাজাৰ হাত জোখা হ'ল, সেয়ে এককঁকাল পানী হ'ল। পাছত তেওঁ আকৌ এক হাজাৰ হাত জুখিলে, সেয়ে পাৰ হৈ যাব নোৱাৰা এখন নদী হ'ল আৰু সেই ভাববাদীজন পাৰ হৈ যাব নোৱাৰিলে। কিয় ঈশ্বৰে অলপ অলপকৈ জুখিলে? ইয়াৰ কাৰণটো হৈছে, ঈশ্বৰে আমাক যি দিছে তাক যদি আমি সঠিককৈ পাৰ হওঁ, তাৰ পৰৱৰ্তী আশীৰ্বাদটোক জোখা হ'ব আৰু দিয়া হ'ব। গতিকে, ঈশ্বৰে ইয়াত প্ৰকাশ কৰা বিষয়টো হৈছে যে, যেতিয়া আমি ঈশ্বৰে দিয়া বস্তুক সঠিককৈ কৰো, তেতিয়া তাৰ পৰৱৰ্তী আশীৰ্বাদটো আমালৈ আহিব। যেতিয়া আমি আমাৰ মণ্ডলীক সঠিকভাৱে যত্ন লওঁ বা ঈশ্বৰে আপোনাক দিয়া যিকোনো পৰিচৰ্য্যাক সঠিকভাৱে কৰে, তেতিয়া আমি ঈশ্বৰৰ আশীৰ্বাদবোৰক প্ৰচুৰ পৰিমাণে পাম আৰু আমি তাত এটা ডাঙৰ বৃদ্ধি চাব পাৰিম।

গণনা পুস্তক ১৬ঃ৩৬-৩৮ পদত আমি পাওঁঃ আকৌ যিহোৱাই মোচিক ক'লেঃ "তুমি হাৰোণৰ পুত্ৰ ইলিয়াজৰ পুৰোহিতক অগ্নিয়ে গ্ৰাস কৰা ঠাইৰ পৰা এই সকলো আঙঠা ধৰা তুলি নিবলৈ আৰু তাৰ জুই দূৰৈত সিঁচৰিত কৰি পেলাই দিবলৈ কোৱা; কিয়নো সেইবোৰ আঙঠা ধৰা পবিত্ৰ। নিজৰ প্ৰাণৰ বিৰুদ্ধে পাপ কৰা সেই লোকসকলে আঙঠা ধৰাবোৰ পিতাই যজ্ঞবেদী ঢাকিবৰ বাবে পতা কৰক; কিয়নো তেওঁলোকে সেইবোৰ যিহোৱাৰ আগত উৎসৰ্গ কৰিলে; এই হেতুকে সেইবোৰ পবিত্ৰ আৰু সেইবোৰ ইস্ৰায়েলৰ সন্তান সকললৈ চিন হ'ব।"

বাকচটো, দীপাধাৰ আৰু বেদীক তম্বু থকা ঠাইত থাকিব। কিন্তু আঙঠা ধৰাবোৰ পুৰোহিতৰ হাতত থাকিব আৰু তেওঁলোকে য'লৈকে যাব তালৈকে নিয়া হ'ব। এতিয়া, আঙঠা এটা অনাৱশ্যক ঠাইত লাগি ধৰিলে। যি আঙঠা পবিত্ৰ ঠাইত আহিব লাগিছিল, কিন্তু ইয়াত আমি ইয়াক সীমাৰ বাহিৰত আছে। ঈশ্বৰে আজ্ঞা দিছিল যে আঙঠা ধৰাবোৰ পিতাই যজ্ঞবেদী ঢাকিবৰ বাবে লোকসকলে পতা কৰক। আমি উপলব্ধি কৰা উচিত যাতে আমাৰ আত্মিক বৃদ্ধি স্বৰ্গ চুই পাব লাগে আৰু আধা বাটতে ৰৈ যাব নালাগে। আমি কিছুমানে বিশেষ আত্মিক অভিজ্ঞতাত সন্তুষ্ট হ'লে নহ'ব। আমি একেৰাহে আত্মিকভাৱে বৃদ্ধি হৈ থাকিব লাগে আৰু ঈশ্বৰক সেৱা কৰিব লাগে, যাতে আমি তেওঁৰ ৰাজ্যত সোমাব পাৰিম।

২ ৰাজাৱলী ৪ঃ২১-৩৫, পদত আমি পাওঁ যে, এজনে মৃত ল'ৰাটিক জীৱিত কৰিবলৈ এটা গাধ, এজন দাস, মাতৃ, ঈশ্বৰৰ দাস আৰু তেওঁৰ সহকাৰীজনে তেওঁলোকৰ সৰ্বোত্তম চেষ্টা কৰিছিল। এই পাঁচজন ব্যক্তিক পাঁচনি ভাববাদী, শুভবাৰ্তা প্ৰচাৰক, পালক আৰু শিক্ষকৰ সৈতে তুলনা কৰিব পাৰে। এইলোকসকল প্ৰধান, যিসকলে আমাক গৰ্ভৰ আশীৰ্বাদ আনিব পাৰে। ঈশ্বৰৰ দাস ইলীচাৰ ওচৰলৈ তিনিজন লোক গৈ আছিল। পাছত চতুৰ্থজন ব্যক্তি গেহাজী, ইলীচাৰ সহকাৰীজনে মৃত ল'ৰাটিক সাৰ পোৱাবলৈ ইলীচাৰ লাখুটিৰ যোগেদি চেষ্টা কৰিছিল। তেৱো সেই ল'ৰাটিক সাৰ পোৱাব নোৱাৰি তাক ইলীচা ভাববাদীৰ ওচৰলৈ নিছিল।

...যেতিয়া ইলীচাই ঘৰলৈ আহি দেখিলে যে, তেওঁৰ বিচনাতে মৃত ল'ৰাটিক শুৱাই থোৱা আছে। তেতিয়া তেওঁ অকলেই ঘৰৰ ভিতৰত সোমাই দুৱাৰবন্ধ কৰি যিহোৱাৰ আগত প্ৰাৰ্থনা কৰিলে। তাৰ পাছত তেওঁ বিচনাৰ পেৰত উঠি ল'ৰাটিৰ মুখৰ ওপৰত নিজৰ মুখ, চকুৰ ওপৰত নিজৰ চকু আৰু হাতৰ তলুৱাৰ ওপৰত হাত ৰাখি শুই দিলে; তেওঁ ল'ৰাটিৰ ওপৰত যেতিয়া দীঘল দি পৰিল, তেতিয়া ল'ৰাটিৰ গা গৰম হৈ উঠিল। তাৰ পাছত ইলীচাই নামি আহি ঘৰৰ ভিতৰতে অহা-যোৱা কৰি ফুৰিলে; পাছত পুনৰায় বিচনাত উঠি গৈ ল'ৰাটিৰ ওপৰত দীঘল হৈ পৰিল। তাতে ল'ৰাটিয়ে সাতবাৰ হাঁচি মাৰি চকু মেলি চালে। ২ ৰাজাৱলী ৪ঃ ৩২-৩৫।

ল'ৰাটিক বচাবলৈ ইলীচাই বিভিন্ন ধৰণৰ পদ্ধতিৰে চেষ্টা কৰিছিল, ইফালে-সিফালে অহা-যোৱা কৰি ফুৰিলে আৰু অৱশেষত তেওঁ ল'ৰাটিক জীয়াই দিলে। তেওঁৰ প্ৰচেষ্টাক এগৰাকী মাতৃৰ সৈতে তুলনা কৰিব পাৰি যিগৰাকীয়ে তেওঁৰ শিশুটিক বহুত দুখ-কষ্টত জন্ম দিয়ে।

একেদৰে, ঈশ্বৰৰ দাসসকলেও এগৰাকী মাতৃয়ে তেওঁৰ শিশুটিক জন্ম দিয়াৰ দৰে ই দুখ-কষ্ট সহ্য কৰিব লাগে। তেওঁলোকে বহুত চেষ্টা কৰিব লাগে যাতে মানুহবিলাকৰ আত্মিক জীৱনটো ধ্বংস হৈ নাযায়।

যেতিয়া ল'ৰাটিয়ে সাত বাৰ হাঁচি মাৰিছিল, যি ধূলিয়ে ল'ৰাটিৰ শ্বাসতন্ত্ৰক বন্ধ কৰি ৰাখিছিল সেইটোক গুচাই দিছিল। ঈশ্বৰৰ দাসসকলে, তেওঁলোকে মানুহৰ বাবে যি কঠোৰ পৰিশ্ৰম কৰিবলগীয়া হয়, তাৰ বাবে দুখ কৰিব নালাগে আৰু মানুহলৈ গৰ্ভৰ আশীৰ্বাদবোৰক মানুহক দিব লাগে।

❖❖❖❖❖

RNI.No.TNASS/2000/2335, Postal Regn.No.TN/CH/(C)/204/21-23 WPP.No.TN/PMG(CCR)/WPP-262/21-23

**তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ মাহেকীয়া আলোচনীখন বিনামূল্যত পাবলৈ এটা উত্তম সুযোগ পাব**

যদি আপুনি আপোনাৰ বন্ধুসকলৰ/ সম্বন্ধীয়সকলৰ ঠিকনাসমূহ আমালৈ ডাকযোগে, পত্ৰ, ই-মেইল, ৱাটছ এপ আৰু ফোনৰ যোগেদি পঠায়, তেতিয়া আমি আমাৰ মাহেকীয়া আলোচনী তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ বিনামূল্যত তেওঁলোকলৈ পঠাম।

## OUR BANK DETAILS:

***1. Bank : State Bank of India***

| | | |
|---|---|---|
| Branch | : | **Triplicane, Chennai-5** |
| Name | : | **S. Sam Selva Raj** |
| A/C No. | : | **1023 2934 679** |
| IFSC | : | **SBIN 00 00 249** |
| SWIFT CODE | : | **SBI NIN BB 455** |

***2. Bank : ICICI Bank***

| | | |
|---|---|---|
| Branch | : | **Anna Salai, Chennai-6** |
| Name | : | **Echo of His Call** |
| A/C No. | : | **6038 0502 2319** |
| IFSC | : | **ICIC 000 6038** |

***3. Bank : State Bank of India***

**(This Account is for Tax Exemption for Indians only )**

| | | |
|---|---|---|
| Branch | : | **Triplicane, Chennai-5** |
| Name | : | **Echo of His Call Educational Trust** |
| A/C No. | : | **1023 2923 805** |
| IFSC | : | **SBIN 00 00 249** |

**Google Pay: 98410 71858**
**PayPal : SAM SELVA RAJ**
*****
**E.mail : sam@echoofhiscall.org**

# তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি

১৬ টা ভাষাত মাহেকীয়া আলোচনী, বাইবেল কলেজ, ডাকযোগে পাঠ্যক্ৰম, মণ্ডলী স্থাপন কাৰ্য, গ্ৰাম্য ইংৰাজী হাইস্কুল, ছপাশাল, প্ৰাৰ্থনা সভা, শুভবাৰ্তামূলক সভা, সামাজিক সেৱা ইত্যাদি

বাৰ্ষিক বৰঙণি ১০০/- টকা জীৱিত বৰঙণি ২০০০/- টকা

The multifarious activities of **Echo of His Call Ministries** are supported by the free-will offerings and donations of God's children like you. You may support **Echo of His Call** and its activities as the Lord leads you. We need your help to send forth the Gospel to the unreached people and plant Churches.

If you would like to receive **ECHO OF HIS CALL** magazines regularly, please write to us with your e.mail Id and Cell Phone number. Whenever you change your postal or e.mail addresses, please do inform us your old and new addresses.

**Echo of His Call** is available in 16 languages in our website also. You can read them by going into the site as well as downloading them and get blessed.

Your letters, prayer requests and your financial helps (**Money Orders, Cheques or Demand Drafts, NEFT, PayPal (Sam Selva Raj, sam@echoofhiscall.org) PhonePe (98410 71858), Gpay (98410 71858), Western Union, MoneyGram, etc.**) to **ECHO OF HIS CALL** may please be sent to the address below.

Please send your **Land Phone / Mobile Phone Numbers and E.mail addresses** for updation.


## ECHO OF HIS CALL

10, MOHAMMED ABDULLAH 2ND STREET, CHEPAUK, CHENNAI - 600 005, INDIA
PH: (+91-44) 2852 8282, 2852 9293, 2854 7766/ Cell: (+91) 98410 71852, 95661 31858 / E.mails: sam@echoofhiscall.org / biblecor@yahoo.co.in
Websites: www.echoofhiscall.org / www.stpaulsmatriculation.com


**YOU CAN SEND YOUR DONATION ONLINE ALSO**


Regd. with the RNI under No. TNASS/2000/2335
Licenced to post without pre-payment
Postal Regn. No. TN/CH (C) /204/21-23
Licence No. WPP. No. TN/PMG(CCR)/WPP-262/21-23
Date of Publication: Second week of every month
Date of Posting : 11th & 12th of every month
Posted at "Egmore RMS / 1 Patrika Channel"
on 12th NOVEMBER 2022
If un-delivered please return to:
ECHO OF HIS CALL (ASSAMESE)
P.O. Box No. 2957, Chepauk, Chennai - 600 005, INDIA.
Phone: (+ 91- 44) 2852 8282, 2852 9293, 2854 7766


***JESUS LOVES YOU!***

**To**

*GOD BLESS YOU!*

Owned and published by **S. Sam Selva Raj** from New No. 8 & 10, Old No. 18 & 19, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005 and printed by him at **Echo of His Call Printers**, New No. 8 & 10, Old No. 18 & 19, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005. Editor: **S. Sam Selva Raj.**